জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০৯/২০২০

## পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## গাহৰিৰ মাজত দেখা দিয়া ফ্লু জাতীয় বেমাৰৰ বিস্তৃত পৰীক্ষণ কাৰ্য চলোৱাৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ শীৰ্ষ বিষয়াসকলৰ লগতে পশু বিজ্ঞানীসকলৰ সৈতে ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শেহতীয়াকৈ গাহৰিৰ মাজত দেখা দিয়া ফ্লু জাতীয় বেমাৰৰ এক বিস্তৃত পৰীক্ষণ কাৰ্য চলোৱাৰ বাবে বিভাগক নিৰ্দেশ দিয়াৰ উপৰি গাহৰি পালন খণ্ডত জড়িত থকা পালকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰাকৈ ইয়াৰ প্ৰতিকাৰৰ পদক্ষেপ তাৎক্ষণিকভাৱে ল'বলৈও বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে পশু বিজ্ঞানীসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**২৫/৪/২০২০**